**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 16-07-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই কৃষি উৎপাদন বৃদ্ধিৰ বাবে প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনাত অনুমোদন জনাইছে।

২। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং তেওঁৰ জাপান ভ্ৰমণৰ দ্বিতীয়দিনা আজি দেশখনৰ মুখ্য কোম্পানীসমূহৰ সৈতে এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

৩। গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীক জম্মু-কাশ্মীৰত ২০ হাজাৰৰো অধিক জোৱান মোতায়েনৰ বাবে ২০ টা নতুন বেটেলিয়ন গঠনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। পাকিস্তানত প্ৰৱল বৰষুণ আৰু আকস্মিক বানত কমেও ১১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৫৩ জন আহত হৈছে।

*আৰু*

৫। ভাৰতৰ বিৰুদ্ধে ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডৰ মহিলা দলে  ২২.অভাৰত ৪ টা উইকেটৰ বিনিময়ত ১০৫ .ৰান  সংগ্ৰহ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই কৃষি উৎপাদন বৃদ্ধিৰ বাবে প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনাত অনুমোদন জনাইছে। এই আঁচনিৰ মূল উদ্দেশ্য হৈছে শস্যৰ বিবিধতা আৰু বহনক্ষম কৃষি পদ্ধতি বৃদ্ধি কৰা, শস্য চপোৱাৰ পাছত উৎপাদিত সামগ্ৰী মজুতকৰণ ব্যৱস্থা তথা জলসিঞ্চন ব্যৱস্থা উন্নীত কৰা আৰু ঋণ লোৱাৰ ব্যৱস্থা সৰল কৰা। নতুন দিল্লীত আজি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকৰ আগত কয়, যে এই আঁচনিৰ অধীনত সমগ্ৰ দেশতে ১০০ খন জিলা চিনাক্ত কৰা হ'ব। নিম্ন মানৰ উৎপাদন, একেডোখৰ কৃষি ভূমিতে শস্য ৰোপণ কৰাৰ ক্ষমতা হ্ৰাস আৰু কম পৰিমাণৰ ঋণ বিতৰণ- এই তিনিটা মূল বিষয়ৰ আধাৰত জিলাসমূহ চিনাক্ত কৰা হ'ব। শ্ৰী বৈষ্ণৱে  কয়, যে ১১টা বিভাগৰ সম্প্ৰতি ৰূপায়ণ হৈ থকা ৩৬খন আঁচনি আৰু অন্যান্য

ৰাজ্যৰ আঁচনিসমূহ একত্ৰিত কৰি এই আঁচনিখন ৰূপায়ণ কৰা হ'ব। এই আঁচনিয়ে দেশৰ ১ কোটি ৭০ লাখ কৃষকক সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে টকিঅ'ত আন্তঃৰাষ্ট্ৰীয় বস্ত্ৰ কেন্দ্ৰ হিচাপে ভাৰতৰ সামৰ্থত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ জাপান ভ্ৰমণৰ দ্বিতীয়দিনা আজি দেশখনৰ মুখ্য কোম্পানীসমূহৰ সৈতে এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। তেওঁ লগতে ষষ্ঠ ভাৰত বাণিজ্য মেলা-২০২৫ উদ্বোধন কৰে। জাপানৰ ক্ৰেতাসকলৰ সৈতে ভাৰতীয় বস্ত্ৰ ৰপ্তানিকাৰীসকলৰ পোনপটীয়া সংযোগ স্থাপনৰ ক্ষেত্ৰত এই মেলা হৈছে এখন অন্যতম বৃহৎ মঞ্চ। শ্ৰী সিঙে বিশ্বৰ শীৰ্ষস্থানৰ কোম্পানী ৰাই কে কে কৰ্পৰেচন, ৰৰ্কমেন কো আৰু কণিকা মিন'ল্টাৰ মুৰব্বীৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ জাপানৰ কোম্পানীসমূহক ভাৰতত ব্যৱসায় সম্প্ৰসাৰণ কৰি ই এছ জি আৰু বহনক্ষমতাৰ লক্ষ্যত সহায় কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাকাশচাৰী শুভাংশু শুক্লাৰ মহাকাশ যাত্ৰাক প্ৰশংসা কৰি গ্ৰহণ কৰা প্ৰস্তাৱত অনুমোদন জনাইছে। ভাৰতৰ অসীম আকাংশাক প্ৰতিনিধিত্ব কৰি গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই কালি তেওঁৰ মহাকাশ যাত্ৰা সামৰি সফলভাৱে পৃথিৱীলৈ উভতি আহে। নতুন দিল্লীত আজি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে শুভাংশু শুক্লাৰ মহাকাশ অভিযানে ভাৰতক নিজৰ মহাকাশ কেন্দ্ৰ স্থাপন কৰাৰ দিশত এখোজ ওচৰ চপাই নিলে। তেওঁ কয়, যে মন্ত্ৰীসভাই এই সফলতা প্ৰাপ্তিৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা চলোৱা ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান, ইছৰো আৰু ইয়াৰ সকলো বিজ্ঞানী তথা অভিযন্তাসকলৰ শলাগ লৈছে। শ্ৰী শুক্লাই মহাকাশত সুক্ষ্ম মাধ্যাকৰ্ষণ শক্তিৰ ওপৰত কৰা অধ্যয়ণে মানৱ মহাকাশযান আৰু সুক্ষ্ম মাধ্যাকৰ্ষণ বিজ্ঞান গভীৰভাৱে বুজি পোৱাৰ ক্ষেত্ৰত সহায় কৰাৰ লগতে ভাৰতৰ ভৱিষ্যতৰ অভিযানসমূহতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি শ্ৰী বৈষ্ণৱে লগতে প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ১৮ ৰ পৰা ২৫ জুলাইলৈ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ১৮ ৰ পৰা ২২ জুলাইলৈ তেওঁ ইশ্বাতিনী আৰু লেচ'থ' দেশ দুখন ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত তেওঁ ইশ্বাতিনীৰ ৰজা মাশ্বাতি তিনি আৰু দেশখনৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিব। তেওঁ লগতে ইশ্বাতিনীৰ বিদেশমন্ত্ৰীৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিষয়ত বৈঠকত মিলিত হ'ব আৰু দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই ভ্ৰমণকালত বাণিজ্য আৰু বিনিয়োগ, দক্ষতা নিৰ্মাণ, অংশীদাৰিত্বৰ বিকাশ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ দিশত গুৰুত্ব আৰোপ কৰা হ'ব। শ্ৰী মাৰ্ঘেৰিটাই ইশ্বাতিনীত ভাৰতীয় সমুদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত আৰু ইশ্বাতিনীৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পাছত তেওঁ লেছ'থ'ত ৰজা লেটছি তিনি আৰু প্ৰধানমন্ত্ৰী ছেমুৰেল মাটেকানেক সাক্ষাৎ কৰিব। তেওঁ লগতে দেশখনৰ বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰী মাৰ্ঘেৰিটাই অহা ২৪ আৰু ২৫ জুলাইত দক্ষিণ আফ্ৰিকাৰ স্কুকুজাত হ'বলগীয়া জি-২০ উন্নয়ন মন্ত্ৰী পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ বাবে যোৱা এটা প্ৰতিনিধি দলক নেতৃত্ব দিব।

০০০০০০

চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২১ জুলাইত আৰম্ভ হ'ব আৰু ২১ আগষ্টত অন্ত পৰিব। এই অধিৱেশনৰ সময়ছোৱাত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়কক লৈ সদনত আলোচনা হ'ব।

০০০০০

গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীক জম্মু-কাশ্মীৰত ২০ হাজাৰৰো অধিক জোৱান মোতায়েনৰ বাবে ২০ টা নতুন বেটেলিয়ন গঠনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে প্ৰথমে ৩৫টা বেটেলিয়নৰ অনুমোদন বিচাৰিছিল, কিন্তু মন্ত্ৰ্যালয়ে যোৱা ২২ এপ্ৰিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু ইয়াৰ পাছত অপাৰেচন সিন্দুৰৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিক ব্যৱস্থা হিচাপে ২০টা বেটেলিয়নত অনুমোদন জনায়। বিত্ত মন্ত্ৰ্যালয়ে ইতিমধ্যে এই প্ৰস্তাৱত অনুমোদন জনাইছে আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাই শীঘ্ৰেই এই ক্ষেত্ৰত অনুমোদন জনোৱাৰ আশা কৰা হৈছে। এই নতুন বেটেলিয়নসমূহক জম্মু-কাশ্মীৰৰ ভূ-ভাগ আৰু নিৰাপত্তা প্ৰয়োজনীয়তা অনুসৰি উন্নত কাৰ্যকৰী সামৰ্থৰে শক্তিশালী কৰি তোলা হ'ব। এই অতিৰিক্ত চি আৰ পি এফ কোম্পানীসমূহক শীঘ্ৰেই কেন্দ্ৰীয় শাসিত অঞ্চলটোত মোতায়েন কৰা হ'ব বুলি আশা কৰা হৈছে। এই জোৱানসকল জিলাসমূহৰ নিৰাপত্তাত নিয়োজিত হোৱাৰ লগতে যিকোনো ধৰণৰ আক্ৰমণ প্ৰতিহত কৰাকে ধৰি তালাচী আৰু অন্যান্য গুৰুত্বপূৰ্ণ নিৰাপত্তাজনিত কৰ্তব্যত নিয়োজিত হ'ব।

০০০০০

বিহাৰৰ পূৰ্ণিয়া জিলাত ডাইনীৰ সন্দেহত একেটা পৰিয়ালৰ ৫ জন সদস্যক জীৱন্তে জলাই হত্যা কৰাৰ ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানলৈ জাননী জাৰি কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ ক্ষেত্ৰত নিজাববীয়া গোচৰ ৰুজু কৰি মানৱ অধিকাৰ আয়োগে দুসপ্তাহৰ ভিতৰত এই ঘটনাৰ সম্পূৰ্ণ তথ্য বিচাৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি যদি সঁচা হয় তেনেহ'লে এই বিষয়টোৱে মানৱ অধিকাৰ উলংঘনৰ দৰে গুৰুতৰ কাম কৰিছে বুলি আয়োগে উল্লেখ কৰে। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে লগতে এই ঘটনাৰ চাক্ষুস সাক্ষী তথা দুৰ্ভগীয়া পৰিয়ালটোৰ জীৱিত অৱস্থাত থকা একমাত্ৰ ১৬ বছৰীয়া কিশোৰজনৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে কাউন্সেলিঙৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে।

০০০০

পাকিস্তানত প্ৰবল বৰষুণ আৰু আকস্মিক বানত কমেও ১১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৫৩ জন আহত হৈছে। যোৱা ২৬ জুনৰে পৰা দেশখনৰ বিভিন্ন অংশত বৰষুণ অব্যাহত আছে। পাকিস্তানৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা মতে বৰষুণত বিগত ২৪ ঘণ্টাত ৫ জন লোকৰ মৃত্যু হৈছে আৰু ৪১ জন আহত হৈছে। দেশখনৰ পূব পঞ্জাৱ প্ৰদেশত সৰ্বাধিক ৪৪ জনে প্ৰাণ হেৰুৱাইছে। একেদৰে উত্তৰ-পশ্চিম খাইবাৰ পখটুনখোৱা প্ৰদেশত ৩৭ জন, দক্ষিণ সিন্ধ প্ৰদেশত ১৮ জন আৰু দক্ষিণ-পশ্চিম বেলুচিস্তান প্ৰদেশত ১৬ জন লোকে প্ৰাণ হেৰুৱাইছে। বতৰ বিজ্ঞান সংস্থাই পাঞ্জাৱ, খাইবাৰ পখটুনখোৱা আৰু বেলুচিস্তান প্ৰদেশৰ বিভিন্ন অংশত সম্ভাব্য আকস্মিক বানৰ প্ৰৰিপ্ৰেক্ষিতত সতৰ্কতা জাৰি কৰিছে।

০০০০০০০০০

ভাৰতৰ বিৰুদ্ধে ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডৰ মহিলা দলে আমালৈ বাতৰি অহা পৰলৈকে ২২.অভাৰত ৪ টা উইকেটৰ বিনিময়ত .১০৫.ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। চলিত বৰ্ষৰ শেষৰ ফালে ভাৰতত হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতিৰ আৰম্ভণি হিচাপে এই খেলখন বিবেচনা কৰা হৈছে। টি-২০ শৃংখলাত ইংলেণ্ডৰ বিৰুদ্ধে জয়লাভ কৰাৰ পাছত হৰমনপ্ৰীত কোৰৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ৫০ অভাৰৰ খেলখনত গভীৰ আত্মবিশ্বাসেৰে অৱতীৰ্ণ হৈছে। এই এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল অহা শনিবাৰে লণ্ডনৰ লৰ্ডচত আৰু প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ২২ জুলাইত চেষ্টাৰ-লী-ষ্ট্ৰীটত অনুষ্ঠিত হ'ব।

০০০০০